অধ্যায় ৭ ঃ গহীন তথা শিশু সাহিত্য হিচাপে কল্প-বিজ্ঞান

অধ্যায় গাঁথনি

7.1 উদ্দেশ্য

7.2 পৰিচয়

7.3 সাম্প্রতিক সময়ৰ সাহিত্যত কল্প-বিজ্ঞানৰ স্থান

7.3.1 গহীন সাহিত্য হিচাপে কল্প-বিজ্ঞান

7.3.2 শিশু সাহিত্য হিচাপে কল্প-বিজ্ঞান

7.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

7.5 অধিক জানিবলৈ

7.6 অগ্রগতিৰ খতিয়ান

7.7 আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সাম্প্রতিক সময়ৰ সাহিত্যত কল্প-বিজ্ঞানৰ স্থান সম্পর্কে জানিব
- গহীন সাহিত্য হিচাপে কল্প-বিজ্ঞান সাহিত্যৰ ধাৰণা লাভ কৰিব পাৰিব
- শিশু সাহিত্য হিচাপে কল্প-বিজ্ঞান সাহিত্যৰ পৰিচয় লাভ কৰিব পাৰিব।

৭.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি কল্প-বিজ্ঞান সাহিত্য সম্পর্কে অধ্যয়ন কৰিলোঁ। সেই অধ্যায়টোত কল্প-বিজ্ঞান সাহিত্যৰ সংজ্ঞা, অর্থ, ইতিহাস, বৈশিষ্ট্য, শ্রেণীবিভাজন, বিষয়বস্তু, উপস্থাপনশৈলী, ভাষা, ৰচনাৰীতি আৰু মনস্তাত্ত্বিক দিশ সম্পর্কে অধ্যয়ন কৰাৰ লগতে অসমীয়া কল্প-বিজ্ঞান সাহিত্যৰ উদ্ভৱ আৰু বিকাশ, সাম্প্রতিক সময়ৰ অসমীয়া কল্প-বিজ্ঞান সাহিত্য আৰু অসমীয়া সাহিত্যত কল্প-বিজ্ঞান সাহিত্যৰ স্থান সম্পর্কেও সামগ্রিক আভাস লাভ কৰিলোঁ। এই অধ্যায়টিৰ জৰিয়তে আপোনাক সাম্প্রতিক সময়ৰ সাহিত্যত কল্প-বিজ্ঞানৰ স্থান সম্পর্কে অৱগত কৰোৱা হ'ব।

পূর্বৱর্তী অধ্যায় দুটা অধ্যয়ন কৰি আপুনি শিশু সাহিত্যৰ লগতে কল্প বিজ্ঞান সাহিত্যৰ সামগ্রিক পৰিচিতি লাভ কৰিলে। কিন্তু এতিয়া মনত প্রশ্ন হ'ব পাৰে কল্প-বিজ্ঞান সাহিত্যক আমি কোনটো শ্রেণীত স্থান দিম। সেয়ে এইটো অধ্যায়ত গহীন সাহিত্য হিচাপে কল্প-বিজ্ঞান সাহিত্য আৰু শিশু সাহিত্যত কল্প-বিজ্ঞানৰ স্থান সম্পর্কে বহলাই আলোচনা কৰিবলৈ যত্ন কৰা হৈছে।

শুদ্ধ ধাৰণাই নাই। বহু সমালোচকে আকৌ জনপ্ৰিয় বিজ্ঞান আৰু কল্প-বিজ্ঞান দুয়োটাকে একে বুলি ভাবে। মন কৰিবলগীয়া যে ভাৰতীয় কল্প-বিজ্ঞান কাহিনীৰ নিচিনাকৈ অসমীয়া কল্প-বিজ্ঞান কাহিনীবোৰো মূলতঃ মানৱকেন্দ্ৰিক। সেইবোৰত মানুহৰ আৱেগ-অনুভূতিয়ে প্ৰাধান্য লাভ কৰে। বৈজ্ঞানিক অগ্ৰগতিৰ লগে লগে সলনি হোৱা মানুহৰ সামাজিক, সাংস্কৃতিক চেতনাৰ আন্তঃক্ৰিয়া উপযুক্ত শৈলীৰে তাত পৰিৱেশন কৰা হয়। কল্প-বিজ্ঞান সাহিত্যত বৈজ্ঞানিক শব্দাৱলীৰ পয়োভৰ ঘটে যদিও সেইবোৰে কাহিনীভাগ বুজাত মুঠেই অসুবিধাৰ সৃষ্টি নকৰে। বহুতো পঢ়ুৱৈৰ মতে তেনে সাহিত্যত বিজ্ঞানৰ এক্‌জটিক (Exotic) জগতখনৰ ফ্লেভাৰ এটা পোৱা যেন অনুভূত হয়।

কল্প-বিজ্ঞান ৰচনাৰ মৌলিকতাৰ ক্ষেত্ৰত বৰ্তমান সময়ত অসমীয়া ভাষাই ভাৰতৰ যিকোনো ভাষাৰ তুলনাতে গৌৰৱ কৰিব পাৰে। অসমৰ বাতৰি কাকত আৰু আলোচনীৰ সম্পাদকসকলেও এই শ্ৰেণীৰ সাহিত্যক স্বীকৃতি দিবলৈ আৰম্ভ কৰিছে। প্ৰকাশকসকলেও কল্প-বিজ্ঞান গল্প-উপন্যাস প্ৰকাশ কৰি কল্প-বিজ্ঞানক সাহিত্যৰ বিশিষ্ট ধাৰা হিচাপে আনুষ্ঠানিকভাৱে স্বীকৃতি প্ৰদান কৰিছে।

আমি জানোঁ যে বৰ্তমানৰ যুগটো বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগ। বৰ্তমান সময়ত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই দ্ৰুতগতিত আগবাঢ়ি গৈছে। ভৱিষ্যতে বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশ কিভাবে ঘটিব আৰু আমাৰ সমাজত কেনেধৰণৰ পৰিৱৰ্তন উন্মোচিত কৰিব সেই সম্ভাৱনাৰ আভাষ দিব পাৰিব কল্প-বিজ্ঞান কাহিনীৰ লেখকসকলেহে। এইক্ষেত্ৰত সৰহ সংখ্যক বিজ্ঞান লেখক আগবাঢ়ি আহিলে সমাজত বৈজ্ঞানিক মানসিকতা গঢ় দিয়াত সহায় কৰিব আৰু অসমীয়া ভাষা-সাহিত্যৰ ভঁৰালো চহকী হ'ব।

কল্প-বিজ্ঞান সাহিত্য প্ৰকৃততে জীৱন নিৰ্ভৰ, ভৱিষ্যত বিকাশৰ ইংগিত বহন কৰোঁতা আৰু প্ৰধানতঃ বৈজ্ঞানিক তত্ত্বৰ ওপৰত আধাৰিত। এই ক্ষেত্ৰতেই অন্য ফেণ্টাছিৰ লগত ইয়াৰ পাৰ্থক্য। ফেণ্টাছিৰ জগতখন অদ্ভুত কল্পনাৰে ভৰপুৰ। ইয়াৰ কোনো বিজ্ঞান ভিত্তি নাই। বিজ্ঞানৰ কল্প কাহিনীত এনে কিছুমান কথা বা তথ্য প্ৰকাশ পায় যিবিলাকে ভৱিষ্যতৰ মানৱ সভ্যতাত বিজ্ঞানে কেনে ভূমিকা গ্ৰহণ কৰিব তাৰ ইংগিত দিয়ে। আমাৰ ব্যক্তিগত আৰু সমাজ জীৱনত বিজ্ঞানৰ প্ৰভাৱ বাঢ়ি অহাৰ লগে লগে সাহিত্যতো ইয়াৰ প্ৰভাৱ অনিবাৰ্য হৈ পৰিছে। মানুহৰ মানসিক জগতখনত সুকুমাৰ কলা, সাহিত্যৰ দৰে বিজ্ঞানৰো এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে। কাৰণ বিজ্ঞান মানসিকতাৰ অবিহনে অনাগত দিনত মানৱ জাতিৰ জীৱন যাত্ৰা স্বচ্ছল নহ'ব। এই দৃষ্টিকোণৰ পৰা কল্প-বিজ্ঞান সাহিত্যসমূহ সাম্প্ৰতিক অসমীয়া সাহিত্যত নিঃসন্দেহে মূল্যবান সংযোজনা বুলি অনুধাৱন কৰিব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

(ক) কল্প-বিজ্ঞান কাহিনীৰ এক উল্লেখযোগ্য দিশ হ'ল কিছুমান কাহিনীয়ে বিজ্ঞানখিনিৰ ভৱিষ্যৎ বাণীও কৰে।

আমাৰ জীৱন চাৰিওফালৰ পৰা বিজ্ঞানে আগুৰি ধৰাৰ লগে লগে বা বিজ্ঞানৰ লগত আমি পোনপটীয়া, দৈনন্দিন সম্পর্ক স্থাপন কৰাৰ লগে লগে পৃথিৱীৰ সকলো দেশৰে মানুহৰ বিজ্ঞানৰ প্ৰতি আগ্ৰহো বাঢ়িবলৈ ধৰিলে আৰু সেইবাবে কল্প-বিজ্ঞান কাহিনীবোৰেও মানুহৰ মন পৰশি গ'ল। 1752 চনতে ভলটেয়াৰে প্ৰকাশ কৰা *Micromegas* নামৰ কল্পনাৰ উচ্চ স্তৰত থকা সাহিত্যত বহুতো কল্প-বিজ্ঞান কাহিনী প্ৰকাশিত হৈছিল। তাত মহাকাশ উত্তৰণৰ কথাও বৰ্ণিত হৈছিল। সেইদৰে 1726 চনত প্ৰকাশ কৰা জনাথন ছুইফ্টৰ *Gulliver's Travels*-ত পৃথিৱীৰ বাহিৰৰ পৰা অহা বুদ্ধিমান জীৱৰ কথা বৰ্ণনা কৰা হৈছিল। আয়াৰলেণ্ডত জন্ম গ্ৰহণ কৰা ইংৰাজ সাহিত্যিক জনাথন ছুইফ্টে (1667–1745) তেওঁৰ বিখ্যাত উপন্যাস *গালিভাৰ্ছ ট্ৰেভেলছ*ত 1726 চনতে মঙল গ্ৰহটোৰ দুটা উপগ্ৰহৰ কথা বৰ্ণনা কৰিছিল। তেওঁ উপগ্ৰহ দুটাৰ মঙলৰ পৰা দূৰত্ব আৰু পৰিভ্ৰমণ কালৰ যি বৰ্ণনা দিছিল, তাৰ লগত প্ৰায় মিলি যোৱাকৈ 1877 চনত অৰ্থাৎ ছুইফ্টে লিখি যোৱাৰ 51 বছৰ পাছত মঙলৰ দুটা উপগ্ৰহ আৱিস্কৃত হয়। এনে ধৰণৰ কল্প-বিজ্ঞান কাহিনী অতি পুৰণি কালৰ পৰাই চলি আহিছিল যদিও সেইবোৰক কিন্তু তেতিয়া কল্প-বিজ্ঞান কাহিনী বুলি কোনেও শ্ৰেণীভুক্ত নকৰিছিল। সেইবোৰ তেতিয়া সাধাৰণ পাতল শ্ৰেণীৰ সাহিত্যই আছিল। ঠিক একেদৰে মেৰি শ্বেলিৰ *ফ্ৰংকেনষ্টেইন* বা নেথানিয়েল হথ্ৰনৰ কিছুমান কাহিনী বা এডগাৰ এলেন পোৰ কিছুমান কাহিনী অতি উচ্চস্তৰৰ কল্প-বিজ্ঞান কাহিনী আছিল। কিন্তু বিজ্ঞান ভিত্তিক ৰচনাৰ স্থান সেই সময়ত উচ্চ নোহোৱা বাবে সেইবোৰক তেতিয়া কোনো সাহিত্যৰ পাঠক বা সমালোচকে কল্প-বিজ্ঞান কাহিনী বুলি কোৱা নাছিল।

ইতিমধ্যে পূৰ্বৱৰ্তী অধ্যায়ত আমি উল্লেখ কৰি আহিছোঁ যে 1886 চনত ছুইডেনৰ পৰা প্ৰথম কল্প-বিজ্ঞান পত্ৰিকা *ষ্টেলা* প্ৰকাশিত হয়। কিন্তু কল্প-বিজ্ঞান কাহিনী একেবাৰে কাহিনীৰ পৰ্যায়লৈ আহি এটা সম্পূৰ্ণ বেলেগ শ্ৰেণীত বিভক্ত হৈ পৰিবলৈ আৰম্ভ কৰে 1926 চন মানৰ পৰাহে। তেতিয়া আমেৰিকাৰ হিউগো গাৰ্নছবেকে *এমেজিং ষ্টৰিজ* নামৰ এখন আলোচনী প্ৰকাশ কৰিবলৈ লয়। এই আলোচনীত কেৱল বিজ্ঞানভিত্তিক গল্প-উপন্যাসকহে ঠাই দিয়া হৈছিল। অৱশ্যে *এমেজিং ষ্টৰিজ* আৰু এই শ্ৰেণীৰ অন্যান্য আলোচনী আৰু কিতাপ-পত্ৰবোৰত যিবোৰ কল্প-বিজ্ঞান কাহিনী প্ৰকাশ হৈছিল সেইবোৰ গহীন পাঠকসকলে বৰ সন্মানজনক ৰচনা বুলি গণ্য নকৰা হ'ল। এনে আলোচনী আৰু কিতাপ-পত্ৰবোৰত সাধাৰণতে যি অলংকৰণ আৰু বেটুপাতৰ চিত্ৰ ব্যৱহাৰ কৰা হৈছিল সেইবোৰেও যেন এইদৰে তাক পাতল ৰচনা বুলি গণ্য কৰিবলৈ সমালোচকসকলক উদ্‌গনি জনাইছিল।

ইয়াৰ পাছত জন ডব্লিউ কেম্পবেল জুনিয়ৰ আদি দক্ষ সম্পাদকসকলে *এষ্টাউণ্ডিং ছাইন্স ফিক্‌ছন* নামৰ কেৱল কল্প-বিজ্ঞান কাহিনী প্ৰকাশ কৰা এখন সন্মানজনক আলোচনী উলিয়াবলৈ আৰম্ভ কৰিলে। ইয়াৰ লগে লগে ওলাই আহিল

৭.৩.২ শিশু সাহিত্য হিচাপে কল্প-বিজ্ঞান

এই অধ্যায়টিত আলোচনা কৰিবলৈ লোৱা দ্বিতীয়টো কথা হ'ল কল্প-বিজ্ঞান সাহিত্যক আমি শিশু সাহিত্যৰ শ্ৰেণীত পেলাম নে নাই? বা কল্প-বিজ্ঞান সাহিত্যত শিশু সাহিত্যত থাকিবলগীয়া বৈশিষ্ট্যখিনি ৰক্ষিত হয় নে নহয়?

আমি ইতিমধ্যে পঞ্চম অধ্যায়ত অধ্যয়ন কৰি আহিছোঁ যে, শিশুক উদ্দেশ্য কৰি ৰচনা কৰা সাহিত্যই হৈছে শিশু সাহিত্য। শিশুক উদ্দেশ্য কৰি ভিন ভিন সময়ত অলেখ সাহিত্য ৰচনা হৈ আহিছে। সেই আলোচনাতে আমি শিশু সাহিত্যৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিছিলোঁ। সেই বৈশিষ্ট্যসমূহ কল্প-বিজ্ঞান সাহিত্যত ৰক্ষিত হয়নে নহয় বিবেচনা কৰিলেই আমি বিচৰা প্ৰশ্নটোৰ উত্তৰ লাভ কৰিম।

আমি জানোঁ যে শিশু সাহিত্য বুলিলে শিশু মনস্তত্ত্বৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ আৱেগ-অনুভূতি, কল্পনাৰ সৈতে খাপ খোৱা সাহিত্যকে বুজায়। শিশুসকলে এখন বিচিত্ৰ জগতত বাস কৰে। তেওঁলোকৰ ভাব-কল্পনা, চিন্তা-আদৰ্শ সকলো পৃথক ধৰণৰ, বাস্তৱতাৰ সৈতে তাৰ সম্পৰ্ক অতি কম। এই বৈশিষ্ট্যটো কম-বেছি পৰিমাণে কল্প-বিজ্ঞান সাহিত্যৰ ৰক্ষিত হৈছে। কল্প-সাহিত্যৰো বিষয়বস্তু বা চিন্তা-আদৰ্শ বহু পৰিমাণে বাস্তৱৰ লগত মিল নথকা। অৱশ্যে তাৰ বাবে কল্প-বিজ্ঞান সাহিত্য ৰচকসকলে বিজ্ঞানৰ সহায় লয়। আনহাতে শিশু সাহিত্যত মূলতঃ শিশুৰ মনত খেলা কৰা ফেণ্টাচি জগতখনে প্ৰাধান্য লাভ কৰে। তথাপিতো এই দুয়োটাৰ মাজত সমন্বয় ঘটাই বহু কল্প-কাহিনী ৰচিত হৈছে। উদাহৰণস্বৰূপে আমি — ডঃ বিজয় কৃষ্ণ দেৱশৰ্মাৰ *তুলসীৰ তলে মৃগ পহু চৰে* (1994) কল্প-বিজ্ঞান উপন্যাসখনৰ কথা উল্লেখ কৰিব পাৰোঁ। এই শিশু উপন্যাসখনত মানুহৰ চন্দ্ৰলৈ যোৱাৰ সুন্দৰ বৰ্ণনা আছে। আনহাতে বিশ্বসাহিত্যৰ পৰা উদাহৰণ গ্ৰহণ কৰিলে আমি জুল ভাৰ্নৰ *টুৱেণ্টি থাউজেণ্ড লীগছ আণ্ডাৰ দা ছি*ৰ কথা উল্লেখ কৰিব পাৰোঁ।

শিশু সাহিত্যই শিশু মনৰ অনুসন্ধিৎসা তীব্ৰতৰ কৰি তোলে। সেয়ে এই শ্ৰেণীৰ সাহিত্যই শিশুক আত্মকেন্দ্ৰিক মনোভাবৰ পৰা সামাজিক চিন্তা-ভাৱনাৰ অৱস্থালৈ উন্নতিকৰণত সহায় কৰে। ঠিক সেইদৰে কল্প-বিজ্ঞান সাহিত্যইও শিশুৰ মনত তীব্ৰ অনুসন্ধিৎসাৰ সঞ্চাৰ কৰিব পাৰে। যাৰ ফলত পৰৱৰ্তী কালত কোনো শিশুৱে বিজ্ঞানী হিচাপে নিজকে প্ৰতিষ্ঠা কৰি তেনে এক বিষয় সম্পৰ্কে গৱেষণা কৰি মানৱ সভ্যতাৰ বিকাশত অৰিহনা যোগাব পাৰে। সেই দিশৰ পৰা বিবেচনা কৰিলে কল্প-বিজ্ঞান সাহিত্যক শিশু-সাহিত্যৰ অংশ হিচাপে বিবেচনা কৰিব পাৰি।

শিশু সাহিত্যই শিশুক সজ চিন্তা-চৰ্চা আৰু মানসিকতাৰ অধিকাৰী কৰাৰ লগতে প্ৰাচীন ঐতিহ্যৰ প্ৰতি আস্থাশীল কৰি তুলিব পাৰে আৰু শিশুৰ মানসিক জগতখনৰ সংবৰ্ধনৰ কাৰণেও এই শ্ৰেণী সাহিত্যৰ গুৰুত্ব অসীম। আমি ইতিমধ্যে কৈ অহা কথাখিনি



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অসমীয়া ভাষাত প্রকাশিত কোন কেইখন শিশু আলোচনীয়ে শিশু সাহিত্যক চহকী কৰাৰ লগতে অসমীয়া শিশু কল্প-বিজ্ঞান সাহিত্যকো সমৃদ্ধ কৰি আহিছে?

.....

.....



৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানুহৰ চিন্তা-চর্চাৰ পৰিৱর্তনে, জীৱন আৰু জগত সম্পর্কেও মানুহে নতুন মূল্যবোধ গঢ়ি তুলিছে। জীৱনবোধ আৰু সমাজবোধৰ নতুন উপলব্ধিয়ে সাহিত্যৰ আন বিশিষ্ট বিভাগবোৰৰ দৰে কল্প-বিজ্ঞান সাহিত্যতো নতুন নতুন ভাৱনাৰ সৃষ্টি কৰিছে। তাৰ আধাৰতেই অধ্যায়টোত সাম্প্রতিক সময়ৰ সাহিত্যত কল্প-বিজ্ঞান সাহিত্যৰ স্থান নির্ণয় কৰিবলৈ যত্ন কৰা হৈছে।
- বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ উন্নয়ন তথা যোগাযোগ ব্যৱস্থাৰ সম্প্রসাৰণে বিজ্ঞানক জনসমাজৰ অতি কাষ চপাই আনিছে। কল্প-বিজ্ঞান সাহিত্যসমূহত প্রকাশ কৰা বহু কথাই যেতিয়া বাস্তৱত ৰূপায়িত হ'বলৈ ধৰিলে তেতিয়াৰ পৰাই লাহে লাহে এক বিশিষ্ট সাহিত্য ধাৰা তথা গহীন সাহিত্য ধাৰা হিচাপে কল্প-বিজ্ঞানে স্থিতি লাভ কৰিবলৈ ধৰিলে। এই বিষয়েও উদাহৰণসহ অধ্যায়টোত বহলাই আলোচনা কৰা হৈছে।
- শিশুৰ বাবে উপযোগী কল্প-বিজ্ঞান সাহিত্যই শিশুৰ মানসিক, আৱেগিক, বৌদ্ধিক, সামাজিক, নৈতিক আদি দিশত যথেষ্ট উৎকর্ষ সাধন কৰে আৰু ইয়ে শিশুৰ মনত সাহিত্য স্পৃহাৰ লগতে বৈজ্ঞানিক মনোভাব জগাই তুলিব পাৰে। এনেধৰণৰ সাহিত্য সৃষ্টিয়ে শিশু সাহিত্যৰ ক্ষেত্রখনক অধিক বর্ণিল মাত্রা প্রদান কৰিব পাৰে। তদুপৰি এনে সাহিত্যৰ অধ্যয়ন অভ্যাসত পৰিণত হ'লে শিশুসকলো ভৱিষ্যতে এখন আদর্শ সমাজ গঢ়াত সহায়ক হ'ব পাৰে। সেয়ে কল্প-বিজ্ঞান সাহিত্যক শিশু সাহিত্যৰ অন্তর্ভুক্তও কৰিব পাৰি। এই বিষয়ে অধ্যায়টোত বহলাই আলোচনা দাঙি ধৰা হৈছে।

(খ) লেখকৰ উদ্দেশ্য আৰু তেওঁৰ কল্পনাৰ দক্ষতাৰ ওপৰত নির্ভৰ কৰি কল্প-বিজ্ঞান সাহিত্যত বিজ্ঞানৰ জনা কথাবোৰৰ পৰা নজনা কথা কিছুমানলৈ ঘটনা প্ৰৱাহ চলি যায়।

(গ) এডৱার্ড বেলামিৰ *লুকিং বেকৱার্ড* 1987 চনত প্ৰকাশিত হৈছিল।

(ঘ) কল্প-বিজ্ঞান সাহিত্যইও শিশুৰ মনত তীব্ৰ অনুসন্ধিৎসাৰ সঞ্চাৰ কৰিব পাৰে।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক—

(ক) গহীন সাহিত্য হিচাপে কল্প-বিজ্ঞান (খ) শিশু সাহিত্য হিচাপে কল্প-বিজ্ঞান

গ) ৰচনাধর্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সাম্প্ৰতিক সময়ৰ সাহিত্যত কল্প-বিজ্ঞান সাহিত্যৰ স্থান সম্পৰ্কে এটি নিবন্ধ যুগুত কৰক।

প্ৰশ্ন ২ ঃ অসমীয়া কল্প-বিজ্ঞান সাহিত্যৰ আধাৰত গহীন সাহিত্য হিচাপে কল্প-বিজ্ঞান সাহিত্যৰ এটি মূল্যায়ন কৰক।

প্ৰশ্ন ৩ ঃ কল্প-বিজ্ঞান সাহিত্যক শিশু সাহিত্য বুলি ক'ব পাৰিনে? উদাহৰণসহ এই বিষয়ে বহলাই আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ "কল্প-বিজ্ঞান সাহিত্যই শিশুৰ মানসিক, আৱেগিক, বৌদ্ধিক, সামাজিক, নৈতিক আদি দিশত যথেষ্ট উৎকর্ষ সাধন কৰে"— কথাষাৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰক।

*** ***** ***